2010

ASSAMESE

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

(New Syllabus)

SEVENTH PAPER

Answer questions from the Group offered by you

GROUP—A

(Sanskrit Literature)

১। (ক) 'ৰঘুবংশ' মহাকাব্যত কবিজনৰ চৰিত্ৰৰ কোনবোৰ দিশ ফুটি উঠিছে? তোমাৰ পাঠ্যাংশৰ আলমত কবিজনাৰ কাব্যৰীতিৰ আভাস দিয়া। ১৫

অথবা

(খ) 'ৰঘুবংশ'ৰ প্ৰথম সৰ্গত বশিষ্ঠ মুনিৰ আশ্ৰমলৈ ৰজা দিলীপৰ যাত্ৰাৰ এটি নিখুঁত বিৱৰণ দাঙি ধৰা।

২। (ক) 'মহাভাৰত'ৰ শকুন্তলা উপাখ্যানক 'অভিজ্ঞানশকুন্তলম্'ৰ দৰে এখন ৰসোত্তীৰ্ণ নাটকৰ ৰূপ দিবলৈ কালিদাসে কি কি কৌশল প্ৰয়োগ কৰিছে, আলোচনা কৰা। ১৫

অথবা

(খ) 'শকুন্তলা' নাটকত অতিলৌকিক উপাদান সম্বন্ধে এটি পৰ্যালোচনা আগবঢ়োৱা।

৩। (ক) প্ৰকৰণৰ লক্ষণসমূহ কি কি? মৃচ্ছকটিকাক প্ৰকৰণৰূপে মূল্যায়ন কৰা। ১৫

অথবা

(খ) শকাৰৰ চৰিত্ৰটিৰ এটি বিশ্লেষণাত্মক টোকা আগবঢ়োৱা।

৪। যি কোনো **চাৰিটা** বিষয়ৰ চমু টোকা লিখা : ৫×৪=২০

মহাকাব্য ; গৌতমী ; বোহসেন ; সূত্ৰধাৰ ; নাটক ; খণ্ডকাব্য।

৫। উত্তৰ লিখা (যি কোনো **তিনিটাৰ**) : ৫×৩=১৫

(ক) বিদূষকৰ লক্ষণবোৰ কি কি? পাঠ্য দুখনত বিদূষকৰ ভূমিকা কেনে?

(খ) বসন্তসেনা কোন? তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ কি কি? চমুকৈ আলোচনা কৰা।

(গ) "মন্দঃ কৱিযশঃ প্ৰাৰ্থী"—এই উক্তিটি কাৰ? তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ নাম উল্লেখ কৰা।

(ঘ) পাঠ্য নাটক দুখনত থকা শিশু চৰিত্ৰকেইটাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(ঙ) সানুমতী কোন? 'শকুন্তলা' নাটকত তেওঁৰ ভূমিকা কি?

GROUP—B

(Pali-Prakrit-Apabhramsa Text)

৬। তলৰ যি কোনো পাঁচটা অংশ অসমীয়ালৈ অনুবাদ কৰা আৰু আঁচটনা শব্দৰ সংস্কৃত ৰূপ নিৰ্ণয় কৰি অসমীয়া অৰ্থ লিখা :

৩×৫=১৫

(ক) পুৰা মহানসম্হি দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো
অনুদিৱসং বহূনি প্ৰাণ সত-সহস্ৰানি আৰভিসু সূপাথায়।

(খ) দূৰংগমং একচৰং অসৰীৰং গুহাসয়ং।
যে চিত্তং সঞ্ঞমেস্সন্তি মোক্খন্তি মাৰবন্ধনা॥

(গ) সেলো যথা একঘনো বাতেন ন সমীৰতি।
এবং নিন্দাপসংসাসু ন সমিঞ্জন্তি পণ্ডিতা॥

(ঘ) অমিঅং পাউঅ-কব্বং পটিউং সোউং অ জেণ জাণন্তি।
কামস্স তত্ততন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।

(ঙ) আৰম্ভন্তস্স ধুঅং লচ্ছী মৰণং ৰি হোই পুৰিসস্স।
তং মৰণং অণাৰম্ভে ৰি হোই লচ্ছী উণণ হোই।

(চ) অজ্জ মা কুপ্প। কব্বং জেৱ দে কইত্তণং পিসুণেদি।

(ছ) ৰয়ণীতমৰিদ্দৰণো অমিয়ং ঝৰণো সুপুণ্ণসোমো য।
অকলংকমাই বয়ণং বাসৰণাহস্স পডিবিংবং॥

(জ) সুঅন পসংসই কব্ব মঝু দুজ্জন বোলই মন্দ।
অৱসও ৰিসহৰ ৰিস ৰমই অমিঞ ৰিমুক্কই চন্দ॥

৭। পালি ভাষাৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা মতবোৰ বিচাৰ কৰি পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৫+৭=১২

অথবা

'ধম্মপদ'ৰ পৰিচয়সহ এই পুথিৰ অন্তৰ্গত 'চিত্তবগ্‌গো' আৰু 'পণ্ডিতবগ্‌গো'ৰ বিষয়বস্তু সম্পৰ্কে বিশ্লেষণ দাঙি ধৰা। ৫+৭=১২

৮। 'প্ৰাকৃত' শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু 'প্ৰাকৃত' নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰি প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰা। ২+২+৮=১২

অথবা

অশোকৰ অনুশাসন বুলিলে কি বুজা? অশোকৰ অনুশাসনৰ আধাৰত সমসাময়িক সমাজ, ধৰ্ম আৰু ৰাজতন্ত্ৰৰ কি আভাস পোৱা যায়, বিশ্লেষণ কৰা। ৪+৮=১২

৯। 'গাহাসত্তসঈ'ৰ ৰচনাকাল নিৰূপণ কৰি গীতি-কাব্য হিচাপে এই কাব্যখনৰ মূল্যায়ন কৰা। ২+৮=১০

অথবা

সট্টক বুলিলে কি বুজা? প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাট হিচাপে 'কৰ্পূৰমঞ্জৰী'ৰ ভাষাগত বৈশিষ্ট্যসমূহ আলোচনা কৰা। ২+৮=১০

১০। 'সন্দেশ ৰাসক'ৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখি কাব্যখনৰ কাব্যিক সৌন্দৰ্য নিৰূপণ কৰা। ৫+৫=১০

অথবা

'কীৰ্ত্তিলতা'ৰ কবি বিদ্যাপতি কোন দেশৰ লোক আছিল? তেওঁৰ ৰচিত কাব্যৰ ভাষা কি? এই ভাষাৰ প্ৰধান বিশেষত্বসমূহ কি কি, চমুকৈ লিখা। ১+২+৭=১০

১১। প্ৰাকৃত সাহিত্যক কি কি শ্ৰেণীত ভগাব পাৰি? তোমাৰ পাঠ্যৰ আধাৰত দুখন প্ৰাকৃত গ্ৰন্থৰ পৰিচয় দিয়া। ৯

অথবা

পালি শব্দটোৱে কি কি বুজায়? ইয়াৰ অন্তৰ্গত সাহিত্য সম্ভাৰৰ বিষয়ে চমুকৈ লিখা।

১২। চমু টোকা লিখা (যি কোনো **তিনিটাৰ**) : ৪×৩=১২

(ক) মহাৰাষ্ট্ৰী প্ৰাকৃত

(খ) আব্দুল ৰহমান

(গ) অপভ্ৰংশ

(ঘ) থেৰগাথা

(ঙ) হীনযান

(Old Syllabus)

FIFTH PAPER

প্ৰথমাৰ্দ্ধ

(*মূল্যাংক* : ৪০)

১৩। (ক) স্বৰাজোত্তৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুওৱা। ১৪

অথবা

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক সম্পৰ্কে এটি সমালোচনাত্মক প্ৰবন্ধ যুগুত কৰা।

অথবা

(গ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিকতাৰ বিকাশ কিদৰে সাধন হৈছে, দেখুওৱা।

১৪। (ক) বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনিত নিয়তিৰ ভূমিকা কিদৰে ৰূপায়িত হৈছে, দেখুওৱা। ১০

অথবা

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা' গ্ৰন্থৰ আধাৰত ৰাসলীলাৰ আধ্যাত্মিক তাৎপৰ্য বিৱৰি লিখা।

১৫। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ২×৩=৬

(ক) নলিনীবালা দেৱীৰ দুখন কবিতা সংকলনৰ নাম লিখা।

(খ) 'কাৰেঙৰ লিগিৰী' নাটকৰ দুটি নাৰী চৰিত্ৰৰ নাম লিখা।

(গ) ঐতিহাসিক উপন্যাসৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) ৰহস্যবাদৰ দুটা বৈশিষ্ট্য লিখা।

১৬। চমুকৈ লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) ৰোমান্টিক কবিতাত কল্পনাৰ স্থান

(খ) ছনেট

(গ) অদ্বৈত দৰ্শন

দ্বিতীয়াৰ্ধ

(*মূল্যাংক* : ৪০)

১৭। (ক) হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটোৰ পটভূমিৰ কথা লিখি আধুনিক কবিতাৰ কি কি আংগিক তাত প্ৰয়োগ হৈছে, দেখুওৱা। ১৪

অথবা

(খ) মহিম বৰাৰ 'মাছ' কবিতাত মৃত্যু-চেতনা আৰু জীৱনৰ ৰহস্যৰ ৰূপায়ণ কিদৰে ঘটিছে, দেখুওৱা।

১৮। (ক) নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ বিশিষ্টতাসমূহ ফঁহিয়াই দেখুওৱা আৰু তেওঁৰ 'এমুঠি কবিতা'ৰ এটি মূল্যায়ন আগবঢ়োৱা। ১০

অথবা

(খ) ভবেন বৰুৱাৰ 'স্বচ্ছতা' কবিতাত জীৱনৰ বেদনাবোধ কিদৰে উদ্ভাসিত হৈছে, দেখুওৱা।

অথবা

(গ) বাণীকান্ত কাকতিৰ 'কবিৰ অহৈতুকী প্ৰীতি'ত ইন্দ্ৰিয়াতীত প্ৰেমৰ ৰূপায়ণ কিদৰে ঘটিছে, দেখুওৱা।

১৯। যি কোনো দুটাৰ বিষয়ে টোকা লিখা : ৫×২=১০

(ক) আধুনিকতাবাদী উপন্যাস

(খ) 'কেঁচা পাতৰ কঁপনি'ৰ মনস্তত্ব

(গ) 'পথাৰ'ৰ মাৰ্ক্সীয় দৃষ্টিকোণ

২০। চমু উত্তৰ দিয়া : ২×৩=৬

(ক) প্ৰফুল্ল দত্তগোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

(খ) ভবেন বৰুৱাৰ দুখন কবিতা সংকলনৰ নাম লিখা।

(গ) আধুনিকতাৰ দুটি বৈশিষ্ট্য লিখা।

★★★